অসম বিধান সভা

তৰাবিহিন প্ৰশ্ন নং : ৪৮৫

উত্তৰ দানৰ তাৰিখ : ২৩/০৭/২০২৬

মো : নুৰুল হুদা

বিষয় : অনলাইন সেৱা সন্দৰ্ভত।

মাননীয় তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰ্তমান চৰকাৰী আৰু জনসাধাৰণৰ অধিকাংশ সেৱা অনলাইন পদ্ধতিৰে প্ৰদান কৰা হয়। এই পৰিপ্ৰেক্ষিতত আৰ্থিকভাৱে দুৰ্বল, গ্ৰাম্য অঞ্চলৰ বাসিন্দা, জ্যেষ্ঠ নাগৰিক, দিব্যাংগ ব্যক্তি আৰু ডিজিটেল সাক্ষৰতাৰ অভাৱ থকা লোকসকলক অনলাইন সেৱা লাভত সহায় কৰাৰ বাবে চৰকাৰে কোনো বিশেষ আঁচনি বা সকাহমূলক ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(খ) যদি কৰিছে, তেন্তে সেই আঁচনিসমূহৰ নাম, সুবিধা, জিলা-ভিত্তিক উপভোক্তাৰ সংখ্যা কিমান?

(গ) ৰাজ্যৰ প্ৰতিখন গাঁও পঞ্চায়ত বা ৰাজহ চক্ৰত বিনামূলীয়া বা নামমাত্ৰ মাচুলত অনলাইন আবেদন, নথি আপলোড, ই-সেৱা আৰু ডিজিটেল সহায় আগবঢ়োৱাৰ বাবে চৰকাৰৰ কোনো পৰিকল্পনা আছে নে? যদি আছে, বিতংভাৱে জনাব।

উত্তৰ

তথ্য প্ৰযুক্তি বিভাগৰ মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিব।

(ক) হয়। আৰ্থিকভাৱে দুৰ্বল শ্ৰেণী, দূৰ-দূৰণিৰ অঞ্চলত বাস কৰা লোকসকল, জ্যেষ্ঠ নাগৰিক, বিশেষভাৱে সক্ষম ব্যক্তি তথা সীমিত ডিজিটেল সাক্ষৰতা থকা নাগৰিকসকলক অনলাইন চৰকাৰী আৰু জনসাধাৰণৰ সেৱাসমূহ লাভ কৰাত সহায় কৰাৰ উদ্দেশ্যে ৰাজ্যজুৰি কমন ছাৰ্ভিচ চেণ্টাৰ (**Common Services Centres – CSCs**) স্থাপন কৰা হৈছে। বৰ্তমান অসমত ১৫,৭৯২টা কাৰ্যক্ৰম CSC চলি আছে (বিটিএডি (**BTAD**) আৰু অন্যান্য ষষ্ঠ অনুসূচীভুক্ত অঞ্চলসমূহকে ধৰি)। এই CSC সমূহ স্থানীয় সমাজৰ পৰা আগবাঢ়ি অহা ভিলেজ লেভেল এণ্টাৰপ্ৰেনিউৰ (**Village Level Entrepreneurs – VLEs**)-ৰ দ্বাৰা পৰিচালিত হয়। VLE সকলে নাগৰিক সকলক বিভিন্ন অনলাইন চৰকাৰী আৰু জনসেৱা লাভ কৰাত সহায় আগবঢ়ায়, বিশেষকৈ যিসকল নাগৰিকে স্বতন্ত্ৰভাৱে ডিজিটেল প্লেটফৰ্ম ব্যৱহাৰ কৰাত অসুবিধাৰ সন্মুখীন হয়। ইয়াৰ ওপৰিও বৰ্তমান অসমত ৫৭১ নং জনসাধাৰণ সুবিধা কেন্দ্ৰ (Public Facilitation Centre - PFC) কাৰ্যকৰি হয় আছে।

(খ) তথ্য প্ৰযুক্তি বিভাগ, অসম চৰকাৰ অৰ্ন্তগত সেৱা সেতু পৰ্টেলৰ জৰিয়তে 914 Digital services জনসাধাৰণৰ সুবিধাৰ্থে প্ৰদাণ কৰা হয় । ২০২১ চনৰ পৰা এতিয়ালৈকে পোৱা আবেদনৰ সংখ্যা তলত উল্লেখ কৰা হৈছে -

| শ্ৰেণী | আবেদনৰ সংখ্যা |
|---|---|
| মুঠ লাভ কৰা আবেদন | ২,৪২,১২,১৫৫ |
| নাগৰিকসকলে নিজেই (Self Applied) দাখিল কৰা | ১,৩৮,৯৫,১৩৫ |
| Public Facilitation Centre (PFC)-ৰ জৰিয়তে | ১৯,৩২,৩৮৫ |
| Common Service Centre (CSC)-ৰ জৰিয়তে | ৮৩,৮৪,৬৩৫ |

সেৱা সেতু পৰ্টেলৰ জৰিয়তে অনলাইনযোগে লাভ কৰা আবেদনসমূহৰ জিলাভিত্তিক বিভাজনৰ বিৱৰণ ' পৰিশিষ্ট– A ' ত সংলগ্ন কৰা হৈছে

(গ) বৰ্তমান নাগৰিকসকলৰ বাবে প্ৰতিটো আবেদনৰ বিপৰীতে মাত্ৰ ১০/- (দহ) টকা সেৱা মাচুল আদায় কৰি ডিজিটেল সেৱাসমূহ প্ৰদান কৰা হৈছে। ইয়াৰ উপৰিও নাগৰিকসকলক ডিজিটেল সেৱাসমূহ লাভ কৰাত সহায়-সহযোগিতা প্ৰদান কৰাৰ বাবদ গাঁও পৰ্যায়ৰ উদ্যোগীসকলে (VLEs) অতিৰিক্ত সেৱা মাচুল হিচাপে ৩০/- (ত্ৰিশ) টকা আদায় কৰি আছে।"

ভৱিষ্যতে নাগৰিকসকলে কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence - AI)-ৰ সহায়ত নিজেই অনলাইনযোগে আবেদন দাখিল কৰিব পৰাকৈ সুবিধা প্ৰদান কৰা হ'ব। বিশ্ব বেংকৰ আৰ্থিক সহায়প্ৰাপ্ত অসম শাসন আৰু সেৱা প্ৰদান প্ৰকল্প **(AGSDP)** বৰ্তমান ৰূপায়ণাধীন অৱস্থাত আছে। এই প্ৰকল্পৰ অধীনত চৰকাৰী সেৱাসমূহ অধিক সহজলভ্য, অন্তৰ্ভুক্তিমূলক আৰু ব্যৱহাৰকাৰী-বান্ধৱ কৰি তোলাৰ উদ্দেশ্যে বিভিন্ন পদক্ষেপ আৰু উন্নয়নমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিশেষকৈ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণী, জ্যেষ্ঠ নাগৰিক, বিশেষভাৱে সক্ষম ব্যক্তি, দূৰৱৰ্তী অঞ্চলৰ বাসিন্দা আৰু সীমিত ডিজিটেল সাক্ষৰতা থকা নাগৰিকসকলে যাতে অধিক সহজে চৰকাৰী সেৱাসমূহ লাভ কৰিব পাৰে, সেই লক্ষ্যৰে এই ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে।

নাগৰিকসকলে 'ভইচ বট' (Voice Bot)-ৰ জৰিয়তে চৰকাৰী সেৱাসমূহ লাভ কৰিব পাৰিব আৰু এই বটৰ জৰিয়তে যিকোনো অভিযোগ (Grievance) দাখিল কৰিব পাৰিব। ইয়াৰ উপৰিও, নাগৰিকসকলে যাতে নিজ ঘৰতে বহি চৰকাৰী সেৱাৰ বাবে আবেদন কৰিব পাৰে, তাৰ বাবে এটা নতুন মোবাইল এপ্লিকেচন (Mobile Application) বিকশিত কৰা হ'ব। গ্ৰাম্য অঞ্চলৰ ৰাইজৰ সুবিধাৰ্থে এই সকলো সেৱা অসমীয়াকে ধৰি বহুভাষিক (Multilingual) মাধ্যমত উপলব্ধ কৰা হ'ব, যাতে গাঁৱৰ প্ৰতিগৰাকী নাগৰিকে অতি সহজে চৰকাৰী সেৱাৰ বাবে আবেদন কৰিব পাৰে।

Annexure- A

| District | CSC | PFCs | Self | Total | no of CSCs | no of PFCs |
|---|---|---|---|---|---|---|
| Bajali | 1,35,703 | 21,032 | 1,10,929 | 2,67,664 | 40 | 9 |
| Baksa | 1,24,459 | 39,510 | 2,95,431 | 4,59,400 | 514 | 12 |
| Barpeta | 2,84,032 | 80,953 | 5,76,756 | 9,41,741 | 1101 | 16 |
| Biswanath | 1,97,086 | 37,269 | 3,39,886 | 5,74,241 | 344 | 16 |
| Bongaigaon | 3,09,426 | 50,678 | 4,25,266 | 7,85,370 | 463 | 15 |
| Cachar | 2,53,520 | 92,791 | 3,25,112 | 6,71,423 | 647 | 30 |
| Charaideo | 1,47,117 | 16,799 | 1,55,683 | 3,19,599 | 167 | 8 |
| Chirang | 1,52,093 | 29,422 | 1,55,783 | 3,37,298 | 238 | 10 |
| Darrang | 2,01,331 | 41,524 | 5,22,347 | 7,65,202 | 596 | 16 |
| Dhemaji | 6,32,415 | 31,621 | 5,24,188 | 11,88,224 | 722 | 14 |
| Dhubri | 4,12,679 | 60,887 | 6,62,197 | 11,35,763 | 984 | 22 |
| Dibrugarh | 5,39,397 | 75,833 | 6,70,004 | 12,85,234 | 449 | 18 |
| Dima Hasao | 6,162 | 29,064 | 46,426 | 81,652 | 72 | 20 |
| Goalpara | 3,42,191 | 36,104 | 4,85,935 | 8,64,230 | 636 | 17 |
| Golaghat | 3,62,643 | 46,966 | 4,77,750 | 8,87,359 | 526 | 22 |
| Hailakandi | 56,025 | 35,112 | 99,579 | 1,90,716 | 274 | 11 |
| Hojai | 3,28,011 | 47,192 | 3,26,491 | 7,01,694 | 578 | 15 |
| Jorhat | 3,71,933 | 68,139 | 6,32,796 | 10,72,868 | 423 | 19 |
| Kamrup | 2,51,348 | 1,06,168 | 8,15,433 | 11,72,949 | 906 | 29 |
| Kamrup Metropolitan | 1,76,967 | 86,165 | 9,28,240 | 11,91,372 | 265 | 18 |
| Karbi Anglong | 60,285 | 47,390 | 1,47,929 | 2,55,604 | 221 | 20 |
| Kokrajhar | 1,31,434 | 80,062 | 1,91,181 | 4,02,677 | 443 | 17 |
| Lakhimpur | 4,74,960 | 81,576 | 8,20,385 | 13,76,921 | 615 | 19 |
| Majuli | 77,315 | 45,034 | 1,75,746 | 2,98,095 | 127 | 9 |
| Morigaon | 3,28,234 | 28,919 | 3,86,214 | 7,43,367 | 658 | 15 |
| Nagaon | 2,91,169 | 1,44,467 | 8,12,966 | 12,48,602 | 934 | 29 |
| Nalbari | 1,35,459 | 50,980 | 3,79,965 | 5,66,404 | 459 | 17 |
| Sivasagar | 3,18,839 | 52,483 | 4,74,181 | 8,45,503 | 387 | 15 |
| Sonitpur | 3,14,355 | 65,293 | 5,98,799 | 9,78,447 | 552 | 18 |
| South Salmara Mankachar | 44,758 | 19,084 | 71,559 | 1,35,401 | 260 | 10 |
| Sribhumi | 1,93,787 | 99,682 | 3,80,708 | 6,74,177 | 333 | 14 |
| Tamulpur | 1,27,212 | 37,444 | 53,895 | 2,18,551 | 13 | 10 |
| Tinsukia | 4,30,270 | 59,328 | 5,97,891 | 10,87,489 | 398 | 18 |
| Udalguri | 1,72,020 | 87,414 | 2,27,484 | 4,86,918 | 373 | 17 |
| West Karbi Anglong | 17,784 | 9,452 | 71,167 | 98,403 | 74 | 6 |
| Total | 83,84,635 | 19,32,385 | 1,38,95,135 | 2,42,12,155 | 15792 | 571 |